**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-11-2024 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

000000000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হয়।

২। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কয়, যে কেন্দ্ৰীয় চৰকাৰে বস্ত্ৰ নিৰ্মাণ উদ্যোগৰ অগ্ৰগতি ত্বৰান্বিত কৰিবলৈ ভিজন নেক্সট শীৰ্ষক কাৰ্যসূচী মুকলি কৰিছে।

৩। মহাৰাষ্ট্ৰত অহা ২০ নৱেম্বৰত হ'বলগীয়া বিধানসভা নিৰ্বাচনত ২৮৮খন আসনৰ বাবে ৪ হাজাৰ ১৩৬গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

৪। ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ কাইলৈ সন্ধিয়া সামৰণি পৰিব।

*আৰু*

৫। বাংলাদেশৰ সৈতে ভাৰতে সুস্থিৰ, ইতিবাচক আৰু গঠনমূলক সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে কাম কৰি আছে বুলি স্পষ্ট কৰি দিছে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আবুজাত নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি বোলা আহমেদ তিনুবুৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতাৰ পৰ্যালোচনা চলোৱাৰ লগতে দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰে। ৰাষ্ট্ৰপতি টিনুবুৰ সৈতে এই প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতে নাইজেৰিয়াৰ সৈতে কৌশলগত অংশীদাৰিত্বক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে। এই ক্ষেত্ৰত তেওঁ দুয়োখন দেশৰ মাজৰ প্ৰতিৰক্ষা, শক্তি, প্ৰযুক্তি, স্বাস্থ্য, শিক্ষা আৰু সাংস্কৃতিক সহযোগিতাৰ ক্ষেত্ৰতসমূহৰ কথা উল্লেখ কৰে। তেওঁ কয় যে উভয় দেশে সন্ত্ৰাসবাদ আৰু জলদস্যুৰ লেখিয়া প্ৰত্যাহ্বানসমূহৰ সৈতে একেলগে কাম কৰি আছে। শ্ৰীমোদীয়ে নাইজেৰিয়াই তেওঁক গ্ৰেণ্ড কমাণ্ডাৰ অৱ দ্যা অৰ্ডাৰ অৱ দ্যা নাইজাৰ সন্মানেৰে বিভূষিত কৰাৰ সিদ্ধান্ত লোৱাৰ বাবে দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীক ধন্যবাদ জনায়। তেওঁ কয় যে এই সন্মান কেৱল তেওঁৰ বাবে নহয় বৰং সমগ্ৰ ভাৰতবাসীৰ বাবে। এই সন্মান ভাৰত আৰু নাইজেৰিয়াৰ মাজৰ দীৰ্ঘদিনীয়া সম্পৰ্কৰ ফচল বুলি প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। তেওঁ কয় যে ১৭ বছৰৰ পাছত ভাৰতীয় প্ৰধানমন্ত্ৰীয়ে নাইজেৰিয়া ভ্ৰমণ কৰিছে। নিজৰ তৃতীয়টো কাৰ্যকালত নাইজেৰিয়া ভ্ৰমণৰ সুযোগ লাভ কৰি তেওঁ অতিশয় আনন্দিত বুলি প্ৰকাশ কৰে। তেওঁ লগতে ভাৰতে নাইজেৰিয়াৰ বান সাহায্য প্ৰচেষ্টাৰ সমৰ্থনৰ বাবে ২০ টন মানৱীয় সাহায্য আগবঢ়াইছে বুলি প্ৰকাশ কৰে। ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ অংশীদাৰ হোৱাৰ বাবে নাইজেৰিয়াক শুভেচ্ছা জ্ঞাপন কৰি শ্ৰীমোদীয়ে ভাৰত আৰু নাইজেৰিয়াই গোলকীয় দক্ষিণে সন্মুখীন হোৱা সমস্যাসমূহ বিশ্বৰ সন্মুখলৈ আনিব পাৰিব বুলি বিশ্বাস ব্যক্ত কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীক আবুজাৰ ৰাষ্ট্ৰপতিৰ আৱাসত আনুষ্ঠানিকভাৱে স্বাগতম জনোৱা হয়।

তেওঁ নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক সকলৰ এটা সমাৱেশতো ভাষণ দিব।

শ্ৰী মোদী যোৱা নিশা দুদিনীয়া ভ্ৰমণসূচীৰে আবুজাত উপস্থিত হয়। তেওঁক দেশখনত বিপুলভাৱে আদৰণি জনোৱা হয়। বিগত ১৭ বছৰত এয়া কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম নাইজেৰিয়া ভ্ৰমণ। প্ৰধানমন্ত্ৰীক আবুজাৰ কী টু দ্যা চিটী প্ৰদান কৰা হয়। এই চাবিকাঠী নাইজেৰিয়াৰ জনসাধাৰণৰ বিশ্বাস আৰু সন্মানৰ প্ৰতীক। শ্ৰীমোদীক নাইজেৰিয়াত বাস কৰা মাৰাঠী সম্প্ৰদায়ৰ লোকসকলে মাৰাঠীক ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা প্ৰদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদী নাইজেৰিয়া ভ্ৰমণ সামৰি জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে আজি সন্ধিয়া দুদিনীয়া ভ্ৰমণসূচীৰে ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'লৈ যাব। ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইছ ইনাছিঅ' লুলা দ্যা ছিলভাই এই সন্মিলনৰ আঁত ধৰিব। ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকা জি-২০ ট্ৰোইকাৰ অংশ আৰু দেশ তিনিখনে জি-২০ শীৰ্ষ সন্মিলনৰ আলোচনাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন গোলকীয় বিষয়ত ভাৰতৰ স্থিতিৰ বিষয়ে অৱগত কৰিব আৰু জি-২০ নতুন দিল্লী ঘোষণাপত্ৰ অনুসৰি লোৱা পদক্ষেপৰ লগতে ভাৰতে যোৱা কেইটামান বছৰত আয়োজন কৰা ভইচ অব দি গ্লোবেল ছাউথ সন্মিলনৰ লাভালাভ সম্পৰ্কে আলোচনা কৰিব। জি-২০ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ সুযোগতে শ্ৰী মোদীয়ে কেইবাগৰাকীও নেতাৰ সৈতে আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। এই ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী পৰহিলৈ তিনি দিনীয়া ভ্ৰমণসূচীৰে গায়ানাত উপস্থিত হ'ব।

000000000

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কয়, যে কেন্দ্ৰীয় চৰকাৰে বস্ত্ৰ নিৰ্মাণ উদ্যোগৰ অগ্ৰগতি ত্বৰান্বিত কৰিবলৈ ভিজন নেক্সট শীৰ্ষক কাৰ্যসূচী মুকলি কৰিছে। চেন্নাইৰ ৰাষ্ট্ৰীয় ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠানত আজি আয়োজিত পৰ্যালোচনা বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয়, যে দেশৰ বস্ত্ৰৰ শৈলী নিৰ্মাণ উদ্যোগত মূল্য ১৭ হাজাৰ ৬০০ কোটি ডলাৰত উপনীত হৈছে। ২০৩০ চনৰ উদ্যোগটোৱে ৩৫ হাজাৰ কোটি ডলাৰৰ সীমা স্পৰ্শ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ বস্ত্ৰ উদ্যোগত তামিলনাডুৰ ভূমিকা গুৰুত্বপূৰ্ণ। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে ৰিৰুধুনগৰ জিলাত এখন বস্ত্ৰ উদ্যান নিৰ্মাণ কৰাৰ বাবে পুঁজি মঞ্জুৰ কৰিছে। সম্প্ৰতি বস্ত্ৰ উদ্যোগত ৪ কোটি ৬০ লাখ লোক কৰ্মৰত হৈ আছে বুলি উল্লেখ কৰি তেওঁ কয় যে ২০৩০ চনলৈ এই উদ্যোগত কৰ্মৰত লোকৰ সংখ্যা ৬ কোটিলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। অন্যান্য দেশসমূহৰ বস্ত্ৰৰ শৈলী প্ৰস্তুত কৰাসকলক লক্ষ্য কৰাৰ প্ৰয়োজন নাই বুলি মত প্ৰকাশ কৰি তেওঁ কয়, যে দেশত বিশিষ্ট প্ৰতিভা অনেক আছে।

০০০০০০০০০

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচন অহা ২০ নৱেম্বৰত অনুষ্ঠিত হ'ব। এই নিৰ্বাচনত ৰাজ্যখনৰ ২৮৮খন আসনৰ বাবে ৪ হাজাৰ ১৩৬গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰে ৩ হাজাৰ ৭৭১গৰাকী হৈছে পুৰুষ প্ৰাৰ্থী আৰু ৩৬৩গৰাকী হৈছে মহিলা প্ৰাৰ্থী। মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনত মহিলাৰ অংশগ্ৰহণৰ গৌৰৱময় ইতিহাসৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰৰ নিৰ্বাচনতো মহিলা প্ৰতিনিধিৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। ১৯৫৭ চনৰ ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ আৰম্ভণিৰে পৰা এতিয়ালৈকে ৪৬১গৰাকী মহিলা নিৰ্বাচিত হৈছে আৰু তেওঁলোকে ৰাজ্যখনৰ ৰাজনৈতিক প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াইছে।

ইফালে, সমাগত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত উঠিছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি নাচিকৰ চাটানাৰ এটা সমদলত অংশগ্ৰহণ কৰি কয় যে বিগত ১০ বছৰত এন ডি এ চৰকাৰে গাঁও, পিছপৰা অঞ্চল, শ্ৰমিক আৰু কৃষকসকলৰ কল্যাণৰ বাবে ভালেমান নতুন আঁচনি আৰু পদক্ষেপ ৰূপায়ণ কৰিছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছে আজি নাগপুৰত এটা বৃহৎ ৰোড শ্ব'ত ভাগ লয়। আনহাতে, এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰে চোলাপুৰাত এটা সমদলত অংশগ্ৰহণ কৰি কয় যে দেশত আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিব নোৱাৰিলে যদিও এই মিত্ৰজোঁটে মহাৰাষ্ট্ৰৰ ৪৮খন আসনৰ ৩১খনতে জয়লাভ কৰিলে। এই জয়ে মিত্ৰজোঁটক ৰাজ্যখনৰ জনসাধাৰণে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত উৎসাহ যোগাইছে বুলিও শ্ৰীপাৱাৰে মন্তব্য কৰে। শিৱসেনা ইউ বি টিৰ মুৰব্বীয়ে আজি চাটাৰাৰ পাটানত এটা ৰেলীত ভাগ লয়।

০০০০০০০০০

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ কাইলৈ সন্ধিয়া সামৰণি পৰিব। বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে চেষ্টাৰ ত্ৰুটি কৰা নাই। বিজেপিৰ সভাপতি জে পি নাড্ডাই আজি বোকাৰো জিলাৰ গমিয়াত এখন প্ৰচাৰ সভাত অংশ লৈ হেমন্ত চোৰেণক ৰাজ্যখনৰ দুৰ্নীতি আৰু দুঃশাসনৰ অভিযোগ তোলে। আনহাতে, জ্যেষ্ঠ জে এম এম নেতা তথা মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে তেওঁক লক্ষ্য কৰি ভাষণ দিয়াৰ বাবে বিজেপিক সমালোচনা কৰে। ডামকাত আজি এখন প্ৰচাৰ সভাত ভাগ লৈ শ্ৰীচোৰেণে কয় যে বিজেপিয়ে জনসাধাৰণক মূল বিষয়সমূহৰ পৰা আঁতৰাই নিছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, চম্পাই চোৰেণকে ধৰি বিজেপিৰ কেইবাগৰাকী নেতাই এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত ৰাজ্যখনৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যত ভাগ লয়। ইপিনে, কংগ্ৰেছ, আৰ জে ডি, এ জে এছ ইউ আৰু বাওপন্থী দলৰ নেতাসকলেও বিভিন্ন স্থানত সমদল, ৰোড শ্ব' আদিত অংশগ্ৰহণ কৰে। ৰাজ্যখনত ২০ নৱেম্বৰত দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত কৰা হ'ব। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০০০০০

বাংলাদেশৰ সৈতে ভাৰতে সুস্থিৰ, ইতিবাচক আৰু গঠনমূলক সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে কাম কৰি আছে বুলি স্পষ্ট কৰি দিছে। আজি ঢাকাত অনুষ্ঠিত বংগোপ সাগৰীয় বাৰ্তালাপত অংশগ্ৰহণ কৰি ঢাকাস্থিত ভাৰতীয় উচ্চায়ুক্ত প্ৰণয় বাৰ্মাই কয়, যে ভাৰতে বাংলাদেশৰ সৈতে শান্তি, নিৰাপত্তা, প্ৰগতি আৰু সমৃদ্ধিৰ দীৰ্ঘস্থায়ী সহযোগিতা স্থাপনত বিশ্বাস কৰে। তেওঁ কয়, যে ভাৰতৰ বিদ্যুৎ গ্ৰীডৰ জৰিয়তে নেপালৰ পৰা বাংলাদেশলৈ ৪০ মেগাৱাট বিদ্যুৎ পৰিবহণৰ আন্তঃগাঁথনি সৃষ্টি হৈছে আৰু পেট্ৰোপ'ল-বেনাপ'ল সংহত তালাচী চকীৰ সা-সুবিধাসমূহো এই মাহৰ ভিতৰতে অধিক বৃদ্ধি কৰা হ'ব। উচ্চায়ুক্তগৰাকীয়ে দুই দেশৰ নাগৰিকসকলৰ মাজত থকা মৈত্ৰী আৰু সহযোগিতাৰ বান্ধোন অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০০০০০

প্ৰতিৰক্ষা বিষয়ক সংসদীয় স্থায়ী সমিতিৰ এখন বৈঠক আজি চেন্নাইত অনুষ্ঠিত হয়। বৈঠকত দেশৰ ব্যাপক সামুদ্ৰিক সীমান্তৰ পাৰৰ উপকূলীয় নিৰাপত্তা সুনিশ্চিত কৰাত উপকূলৰক্ষী বাহিনীৰ কাম-কাজ পৰ্যালোচনা কৰা হয়। ৰাধামোহন সিঙৰ অধ্যক্ষতাত আয়োজিত বৈঠকখনত উপকূলৰক্ষী বাহিনী আৰু প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। উপকূলৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধান এছ পৰমেশে দেশৰ উপকূলীয় সুৰক্ষা সম্পৰ্কীয় প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ প্ৰস্তুতি, কাম-কাজৰ সক্ষমতা, কৌশলগত পদক্ষেপৰ পৰ্যালোচনা কৰে। বৈঠকত দেশৰ সামুদ্ৰিক স্বাৰ্থ, বিভিন্ন অংশীদাৰীৰ সৈতে সহযোগিতা বৃদ্ধি আৰু সামুদ্ৰিক নিৰাপত্তা তথা সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে সঁহাৰি ব্যৱস্থা ত্বৰান্বিত কৰাকে ধৰি বিভিন্ন বিষয়ত আলোচনা কৰা হয়। সঞ্চালক

প্ৰধানগৰাকীয়ে সমিতিখনক উপকূলৰক্ষী বাহিনীৰ ব্যাপক পৰ্যবেক্ষণ ব্যৱস্থা, উন্নত জাহাজ, বিশেষ সঁহাৰি বাহিনীকে ধৰি অবৈধ মৎস্য চিকাৰ, মানৱ আৰু সামগ্ৰী সৰবৰাহৰ দৰে সামুদ্ৰিক নিৰাপত্তা বিঘ্নিত কৰা বিভিন্ন সমস্যাৰ ক্ষেত্ৰত বাহিনীটোৰ ভূমিকা সম্পৰ্কে অৱগত কৰে।

০০০০০০০০০

সমাপ্ত